যিয়ে আল্লাহৰ পথত (অৰ্থাৎ জিহাদৰ অৱস্থাত) এদিনো ৰোজা পালন কৰে, আল্লাহে তাৰ মুখমণ্ডলক জাহান্নামৰ পৰা সত্তৰ বছৰৰ দূৰত্বত আঁতৰাই ৰাখে।

আবু ছাঈদ আল-খুদৰী ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু
আলাইহি অছাল্লামে কৈছেঃ "যিয়ে আল্লাহৰ পথত (অৰ্থাৎ জিহাদৰ অৱস্থাত) এদিনো ৰোজা
পালন কৰে, আল্লাহে তাৰ মুখমণ্ডলক জাহান্নামৰ পৰা সত্তৰ বছৰৰ দূৰত্বত আঁতৰাই ৰাখে।" [ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত জনাইছে যে, যিয়ে জিহাদৰ ময়দানত এদিনো ৰোজা পালন কৰিব, আৰু কোৱা হৈছে যে, নিষ্ঠা সহকাৰে আল্লাহৰ উদ্দেশ্যে ছোৱাবৰ আশাত ৰোজা ৰাখিব, তেন্তে আল্লাহে নিজ অনুগ্ৰহত সেই ব্যক্তিৰ আৰু জাহান্নামৰ মাজত সত্তৰ বছৰৰ দূৰত্ব সৃষ্টি কৰি দিব।

http://sunnah.global/hadeeth/as/show/4436